**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-08-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

-------------------

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ বাৰাণসীৰ পৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ কুৰি সংখ্যক কিস্তি  মোকলাই দিয়ে। এই কিস্তিৰ জৰিয়তে দেশৰ ৯ কোটি ৭০ লাখৰো অধিক কৃষকৰ মাজত ২০ হাজাৰ ৫০০ কোটি টকা বিতৰণ কৰা হয়। ধন লাভ কৰা খেতিয়কসকলৰ ভিতৰত অসমৰ ভালেসংখ্যক খেতিয়ক আছে।

বৰপেটা জিলাত ৯০ হাজাৰৰো অধিক কৃষকে এই আঁচনিৰ ধন লাভ কৰে। প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান জিলাখনৰ কৃষি বিভাগৰ কাৰ্যালয়ৰ লগতে সকলো উন্নয়ন খণ্ডৰ কাৰ্যালয়ত পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়। জিলাখনৰ কৃষি বিষয়াসকলে এই কাৰ্যসূচীত অংশ লয়।

দেশৰ অন্য প্ৰান্তৰ লগতে দৰঙৰ কৃষি বিভাগৰ উদ্যোগত জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত এই কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। জিলাখনৰ ১ লাখ ৫ হাজাৰৰো অধিক কৃষকে এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে।

যোৰহাট জিলাৰ প্ৰায় ৫৭ হাজাৰ যোগ্য হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ ২০ সংখ্যক কিস্তিৰ ধন লাভ কৰে।

একেদৰে কাছাৰ জিলাৰ ৭৩ হাজাৰ কৃষকে এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে। জিলা কৃষি বিষয়াৰ কাৰ্যালয়ৰ লগতে চি এছ চি, কৃষক উৎপাদক সংস্থা, কৃষক সমৃদ্ধি কেন্দ্ৰ, পঞ্চায়ত-ভিত্তিক অঞ্চলৰ উপৰি জিলাখনৰ ১৫টা সংমণ্ডল কৃষি খণ্ডত প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়।

শিৱসাগৰ জিলাৰ প্ৰায় ৬৬ হাজাৰ হিতাধিকাৰীৰ একাউণ্টত এই আঁচনিৰ ২০ সংখ্যক কিস্তিৰ ধন হস্তান্তৰ কৰা হয়। জিলা কৃষি বিভাগ আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহে এই উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ছেপ্তেম্বৰ মাহৰ তৃতীয় সপ্তাহৰ ভিতৰত বি টি আৰৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। ওদালগুৰি জিলাৰ হৰিশিঙা পৰিষদীয় সমষ্টি-ভিত্তিত অনুষ্ঠিত এখন বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি তেওঁ কয় যে বি টি আৰত এইবাৰ বিজেপিয়ে অকলে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। বিজেপিয়ে ২৫ আগষ্টৰ পাছত সমষ্টি-ভিত্তিত প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব বুলি তেওঁ কয়। বিগত পাঁচ বছৰত বি টি আৰত শান্তি স্থাপন হৈছে বুলি তেওঁ ভাষণত উল্লেখ কৰে।

ooooo

নীতি আয়োগৰ পৰামৰ্শ অনুসৰি গোৱালপাৰা জিলা প্ৰশাসনে  জিলাখনৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ খেলপথাৰত যোৱা ২৮ জুলাইৰ পৰা অনুষ্ঠিত কৰা আকাংক্ষা হাট নামৰ থলুৱা সামগ্ৰীৰ বজাৰখনৰ কালি সামৰণি পৰে। এই বজাৰত জিলাখনৰ আত্মসহায়ক গোট, ক্ষুদ্ৰ উদ্যোগ, কুটিৰ শিল্প বা আন থলুৱা উৎপাদনকাৰীৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বিক্ৰী আৰু প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল।  উল্লেখযোগ্য যে নীতি আয়োগে দেশৰ তুলনামূলকভাৱে কম উন্নয়ন হোৱা জিলা আৰু উন্নয়ন খণ্ডসমূহক উন্নত জিলা আৰু উন্নয়নখণ্ডসমূহৰ সমকক্ষ কৰি তোলাৰ লক্ষ্যৰে অভিলাসী জিলা আৰু উন্নয়ন খণ্ডসমূহৰ আন্তঃগাথনি উন্নয়নত গুৰুত্ব দিছে। এই অনুসৰি গোৱালপাৰা জিলা প্ৰশাসনে জিলাখনৰ লক্ষীপুৰ উন্নয়ন খণ্ডত শিক্ষা, কৃষি, স্বাস্থ্য, পৰিপুষ্টি আৰু সামাজিক ন্যায় তথা আন্তঃগাথনিৰ ক্ষেত্ৰত বিশেষ পদক্ষেপলৈ আহিছে। এনে পদক্ষেপৰ অংশ হিচাপে এই আকাংক্ষা হাট মুকলি কৰা হৈছে। আকাংক্ষা হাটত মুকলি কৰা বিপনীসমূহৰ ভিতৰত ৰেচম বিভাগে শ্ৰেষ্ঠ বিপনীৰ স্বীকৃতি লাভ কৰে।

০০০০০

ৰাজ্যপালৰ অসম প্ৰতিভা উদগণিমলূক আঁচনি ২০২৫ ৰ অধীনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা  প্ৰাৰ্থীসকলৰ বাবে নতুন দিল্লীত বিনামুলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰশিক্ষণৰ বাবে সদৌ অসম ভিত্তিক প্ৰতিভা সন্ধানী পৰীক্ষাৰ যোগেদি ১০ গৰাকী প্ৰাৰ্থীক বাচনি কৰা হব। আগ্ৰহীসকলে ১০ আগষ্টৰ ভিতৰত gappy.assam.gov.in ৱেবছাইটৰ যোগেদি আবেদন কৰিব পাৰিব।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যখনৰ ৩ গৰাকী উদীয়মান চলচ্চিত্ৰ পৰিচালকৰ সৈতে এটা অন্তৰংগ আলাপ প্ৰচাৰ কৰিব। মুক্তচিন্তাৰ পৰিচালক হিচাপে পৰিচিত- অমৰদ্বীপ গগৈ, হিমজ্যোতি তালুকদাৰ আৰু ঝুলনকৃষ্ণ মহন্তৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলৰ লগতে বাতৰি বিভাগৰ ইউ টিউব চেনেল আৰু ফে'চবুক পেজ যোগেও পোনপটীয়াকৈ প্ৰচাৰিত হ'ব।

০০০০০

সমাপ্ত